**2025**

# ASSAMESE

( Major )

Paper : ASS0500404

( আধুনিক অসমীয়া গীতি-সাহিত্য )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৮=৮

(ক) অসমীয়া গীতি-সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন কি?

(খ) প্ৰথম অসমীয়া গ্ৰামোফোন ৰেকৰ্ড কিমান চনত ওলায়?

(গ) 'অ' মোৰ আপোনাৰ দেশ' গীতটো প্ৰথমে কোনখন আলোচনীত প্ৰকাশ হৈছিল?

(ঘ) বিষ্ণুপ্ৰসাদ ৰাভাই কোনটো ৰাজনৈতিক মতবাদত বিশ্বাস কৰিছিল?

(ঙ) 'বিলত তিৰেবিৰায় পদুমৰ পাহি ঐ' শীৰ্ষক গীতটো কমলানন্দ ভট্টাচাৰ্যৰ কোনখন নাটকত পোৱা যায়?

(চ) পাৰ্বতিপ্ৰসাদ বৰুৱাই নিৰ্মাণ কৰা বোলছবিখনৰ নাম কি ?

(ছ) 'সুগন্ধি পখিলা'ৰ কবি বুলি পৰিচিত গীতিকাৰগৰাকী কোন ?

(জ) তফজ্জুল আলিয়ে ৰচনা কৰা প্ৰথম গীতটো কি ?

২। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো ছয়টাৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) গীতিকবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) অসমীয়া আধুনিক গীতৰ প্ৰথম গ্ৰন্থখনৰ নাম কি ? গ্ৰন্থখন কিমান চনত প্ৰকাশ হৈছিল ?

(গ) লক্ষ্মীৰাম বৰুৱাই ৰচনা কৰা দুখন গীতৰ পুথিৰ নাম উল্লেখ কৰা।

(ঘ) বিষ্ণুপ্ৰসাদ ৰাভাক 'কলাগুৰু' উপাধি কোনে, ক'ত দিছিল ?

(ঙ) অসমীয়া সাহিত্য-জগতত 'বাউলী কবি' বুলি কাক জনা যায় ? তেওঁৰ এখন গীতৰ পুথিৰ নাম লিখা।

(চ) পাৰ্বতিপ্ৰসাদ বৰুৱাৰ জন্ম শিৱসাগৰ জিলাৰ কোন ঠাইত আৰু কিমান চনত হৈছিল ?

(ছ) ৰুদ্ৰ বৰুৱাই প্ৰথম ৰেডিঅ'ত গোৱা গীতটি কি আছিল আৰু কিমান চনত গাইছিল ?

(জ) নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া চলচ্চিত্ৰৰ বাবে ৰচনা কৰা দুটি গীতৰ শীৰ্ষ শাৰী উল্লেখ কৰা।





(ঝ) হীৰেন ভট্টাচাৰ্যক কোনখন গ্ৰন্থৰ বাবে, কোন চনত 'সাহিত্য অকাদেমি বঁটা' দিয়া হৈছিল ?

(ঞ) তফজ্জুল আলিয়ে সংগীত পৰিচালনা কৰা দুখন অসমীয়া চলচ্চিত্ৰৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : ৫×৪=২০

(ক) গীত আৰু গীতিকবিতা

(খ) আধুনিক অসমীয়া গীতৰ প্ৰচাৰ আৰু প্ৰসাৰত অনাতাঁৰ কেন্দ্ৰৰ ভূমিকা

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ গীত আৰু জাতীয় চেতনা

(ঘ) আধুনিক অসমীয়া সংগীতলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান

(ঙ) অসমীয়া বনগীত আৰু আনন্দিৰাম দাস

(চ) 'হঞেৰা জেতুকী বাই' গীতটোৰ অন্তৰ্নিহিত তাৎপৰ্য

(ছ) ভূপেন হাজৰিকাৰ গীত আৰু অসমৰ প্ৰাকৃতিক সৌন্দৰ্য

(জ) হীৰেন ভট্টাচাৰ্যৰ গীতত 'প্ৰেম' আৰু 'ৰ'দালি'ৰ চিত্ৰ

৪। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো দুটাৰ উত্তৰ লিখা : ১০×২=২০

(ক) গীতি-সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰি এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ ভাষা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(গ) পাৰ্বতিপ্ৰসাদ বৰুৱাৰ 'আজি ফাগুনৰ পুৱা বেলাতে' শীৰ্ষক গীতটিৰ মাজেৰে অসমৰ প্ৰকৃতি-জগতৰ কোনবোৰ দিশ প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঘ) ভূপেন হাজৰিকাৰ 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে' গীতটোৰ মাজেৰে মানৱতাবাদৰ ধ্বনি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'সোণৰ খাৰু নেলাগে মোক' গীতটোৰ মাজেৰে নাৰীমনৰ প্ৰকাশ কেনেদৰে পাইছে, আলোচনা কৰা।

★★★